بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ তত্ত্ব গভীৰ বাণীৰ আধাৰত দোৱাৰ গূঢ়াৰ্থ,ৰহস্য,কবুলিয়ত আৰু ফলচফাৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৯ মাৰ্চ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা আৰু ছুৰা বাকাৰাৰ ১৮৭ নম্বৰ আয়াত তিলাওত কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে উপৰোক্ত আয়াতৰ অনুবাদ পঢ়ি শুনায়, যেনেকৈ আছে যে আৰু মোৰ ভৃত্য সকলে যদি মোৰ বিষয়ে তোমাক প্ৰশ্ন কৰে, তেন্তে (সিহঁতক কোৱা) বাস্তৱতে মই নিচেই কাষত, কোনো প্ৰাৰ্থনা কৰোতায় যেতিয়া মৌলৈ প্ৰাৰ্থনা কৰে, মই তাৰ প্ৰত্যুত্তৰ দিওঁ, কিন্তু সিহঁতে মোৰ আদেশ পালন আৰু মোৰ ওপৰত বিশ্বাস স্থাপন কৰা উচিত, যাতে সিহঁতে সত্যৰ পথ অনুধাৱন কৰিব পাৰে। আল্লাহ তা'লা এই আয়াতটো ৰোজাৰ বিধি-বিধানৰ সৈতে সংলগ্ন কৰি ৰাখিছে বৰং ক'ব পাৰি যে পাতনিতেই ৰাখিছে। ইয়াৰ দ্বাৰা গম পোৱা যায় যে দোৱাৰ সৈতে ৰমজান মাহৰ এটা নিবিড় সম্পৰ্ক আছে। ৰমজান মাহত আল্লাহ তা'লাৰ এটা বিশেষ ভাল পোৱাৰ দৃষ্টি নিজৰ ভৃত্য সকলৰ ওপৰত অৱতীৰ্ণ হয়। ধৰাচলতে সাধাৰণ দিন বোৰতও আল্লাহ তা'লা নিজৰ ভৃত্য সকলৰ প্ৰতি সদয় হৈ থাকে। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে আল্লাহ তা'লা কৈছে, মই মোৰ বান্দাৰ চিন্তা ধাৰণা অনুযায়ী সিহঁতৰ লগত আচৰণ কৰি থাকো, যেতিয়া বান্দা সকলে মোক মনত পেলায়, মই তেতিয়া তাৰ লগতে হওঁ। যদি সিহঁতে মোক হৃদয়ত উদিত হয় তেন্তে মইও সিহঁতক মনৰে পৰা স্মৰণ কৰো। যদি সিহঁতে মোৰ ফালে খোজকাঢ়ি আহে তেন্তে মই তেওঁলোকৰ ফালে দৌৰি যাওঁ। গতিকে আল্লাহ তা'লা যিহেতু সাধাৰণ দিনবোৰত নিজৰ বান্দাৰ সৈতে এনে আচৰণ কৰে, তেন্তে ৰমজান মাহত কিমান কৃপালু আৰু মেহেৰবান হ'ব, ইয়াৰ ধাৰণা আমি কৰিব নোৱাৰো। কিন্তু ইয়াৰ চৰ্ত হ'ল এই সকলোবোৰ বিষয় হৃদয়ৰ গভীৰতাৰ পৰা জমাব লাগিব।

আঁহজৰত (ছাঃ)য়ে কৈছে যে আল্লাহ তা'লা বৰ লাজুক, বৰকৈ দয়ালু আৰু দানশীল। বান্দাই যেতিয়া নিজৰ হাত দুখন তাৰ দৰবাৰত পাতে তেতিয়া সি সেই হাত শূন্য ঘূৰাই দিবলৈ লাজ পায়। গতিকে আমি মাজে সময়ে এনেদৰে কওঁ যে আমি দোৱা কৰিছিলোঁ কিন্তু সেয়া গৃহীত নহ'ল। কিন্তু আমি আমাৰ অৱস্থাৰ ফালে দৃষ্টি নিদিও যে আমি কিমানখিনি সত্য সঠিক মনটো ৰাখিছো। আল্লাহ তা'লাক ঠগাব পৰা নাযায়। সি আমাৰ মনৰ অৱস্থা ভালদৰে জানে। আল্লাহ তা'লাৰ মুক্ত দুৱাৰেদি প্ৰৱেশ কৰিবলৈ হলে তাৰ কিছুমান ব্যৱস্থাপনা পূৰ্ণ কৰিব লাগিব। উক্ত আয়াতত এনেদৰে কৈছে মোৰ বান্দা সকল ইয়াৰ অৰ্থ হ'ল এয়া যে সেই সকল বান্দা যিসকলে প্ৰকৃতাৰ্থে আল্লাহৰ ইবাদতকাৰী হ'ব বিচাৰে। ৰমজান মাহটো এই কাম সম্পাদন কৰাৰ উপযুক্ত সময়। যেতিয়া ৰমজানৰ এই পৰিৱেশৰ পৰা লাভ আহৰণ কৰি সেই অৱস্থা সৃষ্টি কৰিব পৰা যাব তেতিয়া আল্লাহ তা'লা কৈছে মোৰ প্ৰেমিক বান্দা সকলক জনাই দিয়া যে মই মোৰ প্ৰিয় বান্দা সকলৰ দোৱা কবুল কৰি থাকো আৰু শুনি থাকো, উত্তৰও দি থাকো। আল্লাহ তা'লা স্পষ্ট ভাৱে কৈছে যে কেৱল মুখেৰে ভালপোৱাৰ দাবী কৰিলেই যথেষ্ট নহয় বৰং তোমালোকে মোৰ নিৰ্দেশ অনুযায়ী চলিব লাগিব। হকুকুল্লাহ আৰু হকুকুল ইবাদ আদায় কৰিব লাগিব। মজবুত ঈমান প্ৰতিষ্ঠা কৰিব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে দোৱাৰ গূঢ়াৰ্থ, ৰহস্য, কবুলিয়ত আৰু ইয়াৰ দাৰ্শনিক তত্ত্ব সম্পৰ্কে বিতং ব্যাখ্যা দি থৈ গৈছে। তেখেত (আঃ)য়ে কৈছে খোদা তা'লাৰ অস্তিত্বৰ প্ৰমাণ কি ? এই প্ৰশ্নটোৰ উত্তৰ হ'ল এয়া যে মই নিচেই ওচৰতে আছো। ইয়াতকৈ আৰু বেছি ডাঙৰ প্ৰমাণৰ প্ৰয়োজন নাই। খোদা তা'লাই কৈছে মোৰ বাস্তৱতা বৰ সূক্ষ্ম পদ্ধতিৰে অনুধাৱন কৰিব পৰা যায় আৰু বৰ সহজতেই মোৰ সত্তাৰ ওপৰত প্ৰমাণৰ জন্ম হয় আৰু সেই প্ৰমাণ হ'ল এয়া যে যেতিয়া কোনোবাই দোৱাৰ মাজেৰে মোক মাতে, মই তাৰ সেই মাত শুনি থাকো। তেখেত (আঃ)য়ে আৰু কৈছে যে যদি প্ৰশ্ন কৰা হয় যে খোদাৰ অস্তিত্ব আমি কেনেকৈ গম পাম ? ইয়াৰ উত্তৰ হ'ল এয়া যে ইছলামৰ খোদা নিচেই কাষতে থাকে। যদি কোনোবাই তাক সৰল মনেৰে মাতে তেন্তে সি তাৰ উত্তৰ দিয়ে, কিন্তু অইন অইন ধৰ্মবিলাকৰ খোদা ওচৰতে নেথাকে বৰং ইমান দূৰত থাকে যে তাৰ গমকেই ল'ব পৰা নাযায়। কৈছে যে যদি এয়া কোৱা হয় যে আমি মাতি থাকো কিন্তু একো উত্তৰ আমি নাপাওঁ। ইয়াৰ বিশ্লেষণ হ'ল যদি তুমি এঠাইত থিয় হৈ এনেকুৱা ব্যক্তিক মাতি থাকা যিজন বহু দূৰত ৰৈ আছে, আৰু তোমাৰ কাণৰ কিবা বেমাৰ আছে। আল্লাহ তা'লা উত্তৰ দিয়ে কিন্তু তোমাৰ ঈমান মজবুত নহয়, তোমাৰ ভালপোৱাৰ মাজত কিবা ত্ৰুটি আছে, তাৰ আদেশ মতে আমল কৰি থকা নাই। এই বিলাক বেমাৰ তোমাৰ কাণত থকা বাবে তুমি খোদাৰ শব্দ শুনিবলৈ পোৱা নাই।

আৰু কৈছে দোৱা খোদা তা'লাৰ সত্তাৰ এক ডাঙৰ প্ৰমাণ। দোৱা বৰ ডাঙৰ সম্পদ আৰু শক্তি। আম্বিয়া সকলৰ জীৱনৰ মূল আৰু কৃতকাৰ্যতাৰ আচল উপায় হ'ল দোৱা। তেখেত (আঃ)য়ে কৈছে যে মই নচিহত কৰো, তোমালোকে নিজৰ ঈমান আৰু আমলৰ শক্তি বঢ়াই তুলিবলৈ দোৱা কৰি থাকক। দোৱাৰ জৰিয়তে এনেকুৱা পৰিৱৰ্তন সাধিত হ'ব যে চৰম কল্যাণৰ বাট মুকলি হৈ পৰিব। দোৱাৰ গোপন ৰহস্য সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে মাৰিফত আল্লাহ তা'লাৰ কৃপাৰ জৰিয়তে লাভ কৰিব পৰা যায়। আকৌ কৃপাৰ আধাৰতে বাকী সকলো ৰৈ আছে। কৃপা (ফজল)য়ে মাৰিফতক নিৰ্মল আৰু আলোকিত কৰি তুলে। এয়া ধাৰণা নকৰিবা যে আমি দেখোন প্ৰত্যহ দোৱা কৰি থাকো আৰু সকলো নামাজতেই দোৱা কৰো। সেই দোৱা যি মাৰিফতৰ পিছত আৰু কৃপাৰ জৰিয়তে লাভ কৰিব পৰা যায়, সেয়া বেলেগ আৰু তাৰ অৱস্থা অন্যতম পৰ্যায়ৰ হৈ থাকে। সেয়া নিজকে বিলীন কৰি দিয়া বস্তু, সেয়া হ'ল পুৰি ছাই কৰি দিয়া অগ্ন,

সেয়া আল্লাহৰ ৰহমতক টানি চোঁচৰাই লৈ অনাৰ প্ৰবল শক্তি স্বৰূপ। সেয়া এক মৰণ স্বৰূপ, কিন্তু জীৱনক জীৱিত কৰে। দোৱা খোদা তা'লাৰ পৰা আহে আৰু খোদা তা'লাৰ ফালেই ওলটি যায়। দোৱাৰ আকৰ্ষণ শক্তিত খোদা ইমানেই কাষ চাপি যায় যে যেনেকৈ তোমাৰ প্ৰাণ তোমাৰ ওচৰত থাকে। কৈছে যে আল্লাহ তা'লা যি দুৱাৰ নিজৰ সৃষ্টি জীৱনৰ কল্যাণাৰ্থে মুকলি কৰিছে, সেয়া এটাই অৰ্থাৎ দোৱা। যেতিয়া কোনোবাই আকুতি-মিনতিৰে সেই দুৱাৰত প্ৰৱেশ কৰে তেতিয়া মওলা কৰিমে তাক পৱিত্ৰতা আৰু পাক চাদৰ পিন্ধাই দিয়ে আৰু নিজৰ বিজয়ৰ দুৱাৰ তাৰ ওপৰত এনেদৰে সক্ৰিয় কৰি দিয়ে যে তাৰ সকলো আচাৰ-আচৰণ আৰু মূল্য বহিৰ্ভূত কাম আদিৰ জৰিয়তে বেয়া দূৰ হৈ পৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অৰ্থাৎ এনেকুৱা ব্যক্তিয়ে পৱিত্ৰতা লাভ কৰিবলৈ চাহিদা পূৰণ কৰিবলৈ দোবা নকৰে বৰং তাকওৱা আৰু পবিত্ৰতা লাভ কৰিবলৈ দোৱা কৰি থাকে; আৰু এয়াই হ'ল এজন মোমিনৰ নিদৰ্শন। দোৱাৰ গভীৰতা সম্পৰ্কে বৰ্ণনা কৰোঁতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, আল্লাহৰ কৃপা লাভ কৰাৰ সৰ্বোত্তম উপায় হ'ল দোৱা আৰু পৰিপূৰ্ণ দোৱাৰ বিষয় বস্তু হ'ল দোৱা বিনয় ভৰা, আকুতি-মিনতি আৰু আবেগ আপ্লুত হ'ব লাগিব। যি দোৱা বিনয়, নম্ৰতা আৰু হৃদয় বিগলিত কৰুণ পৰিণতি সদৃশ অৱস্থা সন্নিবিষ্ট হ'ব সেই দোৱাই আল্লাহ তা'লাৰ কৃপা আৰু ফজল টানি লৈ আনে। কৈছে, এয়াও খোদা তা'লাৰ ফজল অবিহনে নহয় আৰু ইয়াৰ চিকিৎসা হ'ল এয়া যে দোৱা কৰি থাকক। যিজনে ৰাতিত উঠি আবেগ আপ্লুত হৈ ব্যকুলতাৰে খোদাৰ আস্থানত দোৱাৰ আঁচল পাতে যে হে খোদা ! মোৰ প্ৰাণ হৃদয়ে তোমাৰেই আয়ত্বাধীনত তুমি ইয়াক পৰিষ্কাৰ কৰি দিয়া আৰু এনে আয়ত্বাধীনত থাকি মই খোদা তা'লাৰ সকলো অনুগ্ৰহ বিচাৰো, তেতিয়া এনে অৱস্থাতে সকলো কৃপা আৰু অনুগ্ৰহ ওলাই আহে আৰু এক বেদনাৰ জন্ম হয় তেতিয়া সি দেখিব যে ৰূহ ইলাহি আস্থানত পানীত ভহাদি ভাহি গৈছে।

ইয়াৰ পিছত আৰু কৈছে যে দোৱা এনেকুৱা এটা বস্তু যিয়ে সকলো সমস্যা সমাধানৰ সহজ উপায় দিয়ে। লোকে দোৱাৰ মূল্য আৰু মান সম্পৰ্কে অজ্ঞ আৰু অলপতে অধৈৰ্য হৈ পৰে আৰু উদাস হৈ দোৱা কৰিবলৈ এৰি দিয়ে। কিন্তু দোৱাই সদায় এক চিৰস্থায়ী প্ৰচেষ্টা হে বিচাৰে। ইয়াৰ বাবে একাগ্ৰতা আৰু জিহাদৰ চৰ্ত আছে, যিবোৰ আকৌ দোৱাৰ পৰাই জন্ম লয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইয়াৰ উদ্দেশ্য আমি আমাৰ হৃদয়ক গমি চাব লাগিব যে সেই একাগ্ৰতা আৰু জিহাদৰ অৱস্থা অন্তৰত জন্ম লৈছে নে নাই বা আমি এইবোৰ জন্মাবলৈ চেষ্টা কৰিছোঁ নে নাই ? ইয়াৰ পিছত দোৱাৰ ফিলাছফি সম্পৰ্কে বৰ্ণনা কৰোঁতে হুজুৰ (আইঃ)য়ে কৈছে যে মানুহে এই জীৱনটোক এনে কদৰ্যময় ভৰা উচিত যে সদায় ইয়াক এৰি অহাৰ চেষ্টা কৰা উচতি আৰু ইয়াৰ বাবে দোৱা কৰাৰ অতি প্ৰয়োজন আছে। কাৰণ যেতিয়া প্ৰকৃত চেষ্টা কৰা হ'ব আৰু শুদ্ধ দোৱাৰ আশ্ৰয় লোৱা হ'ব তেতিয়া আল্লাহ তা'লা তাক মুক্তি প্ৰদান কৰিব আৰু তেওঁ পাপ পঙ্কিলতাৰ জীৱনৰ পৰা ওলাই পৰিব, কাৰণ দোৱা কোনো সাধাৰণ বস্তু নহয় বৰং এয়াও এক মৃত্যু সদৃশ। যেতিয়া মানৱে এই মৃত্যুক আকোৱালি লয় তেতিয়া আল্লাহ তা'লা তাক এই ত্ৰুটিপূৰ্ণ জীৱনৰ পৰা যি মৃত্যুৰ কাৰক ৰক্ষা কৰে আৰু তাক এটা পাক-পৱিত্ৰ জীৱন দান কৰে। গতিকে ৰাতি উঠি উঠি অতি বিনয় ব্যাকুল অন্তৰত খোদা তা'লাৰ দৰবাৰত নিজৰ সমস্যা সমূহ নিবেদন কৰিব লাগিব আৰু এই দোৱা সেই সীমালৈকে পৌচাই দিব লাগিব যে নিজৰ ওপৰত যেনিবা এক মৃত্যু অৱতীৰ্ণ হৈছে। তেতিয়াহে দোৱা সমূহ গৃহীত হোৱাৰ দৰবাৰত গৈ উপস্থিত হ'ব।

কৈছে যে মনত ৰাখিব যে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল এয়া যে মানৱে নিজকে নিজে গোনাহৰ

পৰা পাক চাফ ৰাখিবলৈ দোৱা কৰিব লাগিব। সকলো দোৱাৰ সাৰাংশ ইয়াতেই নিহিত আছে। কাৰণ যেতিয়া এই দোৱা কবুল হৈ যাব আৰু মানৱে সকলো ধৰণৰ গোনাহৰ পৰা পাক-পৱিত্ৰ হৈ খোদাৰ দৃষ্টিত নেক হৈ যাব তেতিয়াৰ পৰা আন আন দোৱাবোৰ যিবোৰ তেওঁ নিজৰ প্ৰয়োজন সাপেক্ষে কৰিছে সেইবোৰও নিজে নিজেই পূৰ্ণ হৈ যায়। দোৱা কবুলিয়তৰ বাবে কেনেকুৱা অৱস্থা সৃষ্টি হ'ব লাগে এই বিষয়ে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে দোৱা কৰাৰ সময়ত দোৱাৰ মাজত কবুলিয়ত সেই সময়ত প্ৰকট হয়, যেতিয়া সি চৰম পৰ্যায়ৰ বিনয়লৈ পৌচাই যায়। এয়া কোনো সৰু সুৰা কথা নহয় বৰং এটা মহান বাস্তৱ কথা। মুঠ কথা হ'ল যিজনে খোদা তা'লাৰ পৰাক্ৰম দেখিব বিচাৰে, তেওঁ দোৱা কৰি থকা উচিত। এটা নিয়মিত আৰু স্থায়ী ভাৱে দোৱা কৰি যোৱা সম্পৰ্কে তেখেত (আঃ)য়ে কৈছে, দোৱা কৰাৰ সময়ত অচেতন আৰু ভয়ত ভীত হ'ব নালাগে আৰু অতি সোনকালেই বাগৰি পৰিব নালাগে; বৰং সেই সময় লৈকে আঁতৰি যোৱা ঠিক নহয় যেতিয়ালৈকে তাৰ প্ৰভাৱ প্ৰকাশ নকৰে। যি সকলে দোৱা কৰিবলৈ গৈ বাগৰি পৰে আৰু ভয়ত ভীত হৈ পৰে এয়া তেওঁলোকে আচলতে  ভুল কৰে, কাৰণ এয়া পোৱাৰ পৰা বঞ্চিত হোৱাৰ লক্ষণ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লা যিহেতু এই বৰকত পূৰ্ণ মাহ (ৰমজান) আমাক দান কৰিছে সেয়ে আমি নিজৰ মাজত পাক পৰিৱৰ্তন সাধন কৰি দোৱাৰ ফালে মনোযোগ দিব লাগিব। এয়াই আমাৰ ইহজগত আৰু আখেৰাত সুন্দৰ কৰি লোৱাৰ উপায়। ৰমজান মাহৰ শেষ দহটা দিনত আমি আল্লাহ তা'লাৰ আদেশ শিৰোধাৰ্য কৰি ঈমান মজবুত ৰাখি, ৰাতি উঠি আল্লাহৰ সমীপত নতশীৰ হৈ তাৰ সান্নিধ্য লাভৰ চেষ্টা কৰা উচিত।

খোতবা জুমাৰ শেষ অংশত হুজুৰ আনোৱাৰ (আইঃ)য়ে ৰমজানক উদ্দেশ্য কৰি দোৱাৰ তেহেৰিক কৰে আৰু জামাতৰ উন্নতি কল্পে ইয়ামিনৰ কয়েদী আৰু পশ্চিমীয়া বিশ্বৰ নিপীড়িত জনতাৰ মুক্তিৰ বাবে দোৱাৰ তেহেৰিক কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 29 MARCH 2024**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844